জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ৮৩১/২০২০**

ইণ্ডিয়ান চেম্বাৰ্ছ অব্ কমাৰ্চৰ 'ইয়ং লীডাৰ্চ ফ'ৰাম'ৰ দ্বাৰা আয়োজিত ৱেবিনাৰত অংশগ্ৰহণ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

# প্ৰযুক্তি, দক্ষতা আৰু কৰ্মশক্তিৰ উপযুক্ত সমন্বয়েৰে সৰ্বদিশতে আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলাটোৱেই পৰৱৰ্তী কেইটামান বছৰত আমাৰ মূল লক্ষ্য ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ইণ্ডিয়ান চেম্বাৰ্ছ অব্ কমাৰ্চৰ 'ইয়ং লীডাৰ্চ ফ'ৰাম'ৰ দ্বাৰা আয়োজিত এক ৱেবিনাৰত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীৰ চৰকাৰী বাসভৱনৰ পৰা এই ৱেবিনাৰত ভাগ লৈ মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণকাৰীসকলৰ সৈতে বিভিন্ন বিষয় সন্দৰ্ভত মত বিনিময় কৰে। নিজৰ বক্তব্যত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰযুক্তি, দক্ষতা আৰু কৰ্মশক্তিৰ উপযুক্ত সমন্বয়েৰে সৰ্বদিশতে আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলাটোৱেই পৰৱৰ্তী কেইটামান বছৰৰ বাবে তেওঁৰ মূল লক্ষ্য। ৰাজ্যখনৰ সৰ্বস্তৰৰ ৰাইজৰ সহযোগত কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অসমক দক্ষিণ-পূব এছিয়াৰ প্ৰেক্ষাপটত দেশৰ ভিতৰতে দৃশ্যমান ৰাজ্য হিচাপে জিলিকাই তোলাৰ বাবে ৰাজ্য চৰকাৰে বিগত দিনসমূহত অহোপুৰুষাৰ্থ কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে মূলতঃ কৃষি আৰু ইয়াৰ সংলগ্ন খণ্ডত অধিক গুৰুত্ব আৰোপেৰে আছিয়ান আৰু বিবিএন দেশসমূহৰ বিশাল বজাৰখন দখলৰ লক্ষ্যৰে আমি কাম কৰিব লাগিব।

বিগত কেইটামান বছৰত অসমে দেশৰ ভিতৰত এক সুকীয়া পৰিচিতি লাভ কৰিবলৈ সক্ষম হোৱাৰ দিশলৈ আঙুলিয়াই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দিগ্‌দৰ্শী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাৰ্গদৰ্শন আৰু আন্তৰিক সহযোগিতাৰ বাবেহে এয়া সম্ভৱ হৈ উঠিছে। প্ৰধানমন্ত্ৰী মোদীয়ে দীৰ্ঘকাল ধৰি শুই থকা অসম তথা উত্তৰ-পূবক নতুনকৈ জগাই তুলিলে বুলিও তেওঁ মন্তব্য কৰে।

ইণ্ডিয়ান ছেম্বাৰ্ছ অব্ কমাৰ্চৰ অধ্যক্ষ মায়ংক জালানে আঁত ধৰা সৌহাৰ্দ্যমূলক কথোপকথনত অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰী সোণোৱাল আজি নষ্টালজিক হৈ পৰে। নিজকে এগৰাকী সাধাৰণ কৃষকৰ সন্তান বুলি উল্লেখ কৰি তেওঁ কয় যে পিতৃ-মাতৃ, শিক্ষাগুৰু-দীক্ষাগুৰু আৰু সৰ্বস্তৰৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদৰ বলতহে তেওঁ আজিৰ সৰ্বানন্দ সোণোৱাল হিচাপে পৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ কয়, "আপোনালোক সকলোৱে মিলি মোক নিৰ্মাণ কৰিছে। মই আজি যি, সেয়া আপোনালোকৰ বাবেই।" জীৱনত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ পৰা বহু শিক্ষা আহৰণ কৰিব পাৰি বুলি মন্তব্য কৰি তেওঁ কয় যে সন্মুখত সমস্যাক দেখি ভয় খোৱাৰ সলনি তাক বুজিবলৈ আৰু তাৰ পৰা শিকিবলৈ চেষ্টা কৰিলেহে জীৱনত সফলতাৰ মুখ দেখিব পৰা যায়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে আমি ধনৰ চহকী হোৱা বেয়া কথা নহয়, কিন্তু তাৰ লগতে আমি একো একোগৰাকী সৎ ব্যক্তিৰূপেও নিজকে গঢ় দিব লাগিব। দেশসেৱাৰ স্বাৰ্থত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কঠোৰ পৰিশ্ৰমৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিজেও দিনে ১২-১৪ ঘণ্টাকৈ কাম কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে শৰীৰ-মন-আত্মাই একেলগে কাম কৰিলেহে কৰ্তব্যত সফলতা লাভ কৰিব পৰা যায়।

সদৌ অসম ছাত্ৰ সন্থা আৰু উত্তৰ-পূব ছাত্ৰ সংগঠনৰ দায়িত্বত থকা সময়ত ৰাজ্যখন তথা অঞ্চলটোক অৰ্থনৈতিকভাৱে আগবঢ়াই নিয়া, সেউজ আৱৰণ বৰ্তাই ৰখা তথা বিদেশীমুক্ত কৰাৰ দিশত আন্তৰিকতাৰে কাম কৰিছিল বুলিও এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে ২০১৬ চনত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পাছতো তেওঁ নিজৰ বিষয়াসকলক ৰাজ্যখনৰ সম্পদ-সম্ভাৱনা-শক্তিৰ মূল্যায়নৰ স্বাৰ্থত অসম আৱিস্কাৰৰ প্ৰচেষ্টাত ব্ৰতী হ'বলৈ আহ্বান জনাইছিল।

আজিৰ এই ৱেবিনাৰৰ জৰিয়তে ইণ্ডিয়ান চেম্বাৰ্ছ অব্ কমাৰ্চে ৰাজ্যখনক জানিবলৈ আৰু আৱিস্কাৰ কৰিবলৈ লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীয়ে সংস্থাটোৰ লগতে 'ইয়ং লীডাৰ্চ ফ'ৰাম'ৰ বিষয়ববীয়াসকলৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। নতুন প্ৰজন্মৰ উদ্যোগীসকলক অনুপ্ৰাণিত কৰি আৰু প্ৰয়োজনীয় সহায়-সহযোগৰ জৰিয়তে ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশৰ দিশত ইণ্ডিয়ান চেম্বাৰ্ছ অব্ কমাৰ্চে অনাগত দিনসমূহতো আন্তৰিকতাৰে কাম কৰি যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

**প্ৰঃকুঃবঃ**
**১৪/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in